# গোৱালপাৰা মহাবিদ্যালয়ত আলোচনাচক্ৰ

প্ৰতিদিন বিশেষ সেৱা, গোৱালপাৰা, ২৮ জানুৱাৰী ঃ 'পৃথিৱীখনক পৰিবেশ, জলবায়ু সংকটৰ পৰা উদ্ধাৰ কৰাৰ লগতে যুদ্ধবিহীন পৰিবেশ সৃষ্টি কৰি সকলো দিশেৰে বিকশিত আৰু সুৰক্ষিত কৰিব জি-২০ সন্মিলনে।'— এই মন্তব্য গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড° অখিল ৰঞ্জন দত্তৰ। গোৱালপাৰা মহাবিদ্যালয়ৰ উদ্যোগত আৰু গোৱালপাৰা জিলা প্ৰশাসনৰ সহযোগত যোৱা ২৮ জানুৱাৰীৰ পৰা অনুষ্ঠিত জি-২০, ৱাই-২০ৰ শীৰ্ষ সন্মিলনৰ প্ৰাক কাৰ্যসূচীৰ অংশ হিচাপে আজি 'জি-২০ৰ ভৱিষ্যৎ সুৰক্ষা প্ৰতিজ্ঞা আৰু সম্ভাৱনা' শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হয়। গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত আলোচনাচক্ৰখনত মুখ্য আলোচক হিচাপে উপস্থিত থাকি অধ্যাপক ড° দত্তই আৰু কয় যে পৃথিৱীখনত আৰম্ভ হোৱা স্খলন-অৱক্ষয় প্ৰকৃতিয়ে নীৰৱে সহ্য নকৰে। সেয়েহে বিকাশৰ প্ৰক্ৰিয়াৰ লগতে সেউজীয়া ধৰণীৰ সৃষ্টি কৰিব লাগিব। তেওঁ কয় যে ভাৰতৰ লগতে অন্য ১৯খন ভিন্ন ৰাষ্ট্ৰই পৃথিৱীখনক সুৰক্ষিত আৰু বিকশিত কৰাৰ বাবে একত্ৰিতভাৱে দিয়া প্ৰতিশ্ৰুতিৰ বাস্তৱায়িত ৰূপে এখন নতুন যুদ্ধবিহীন শান্তিৰ পৃথিৱীৰ ৰূপৰেখা উদ্ভাসিত কৰাৰ লগতে বৈষম্যতা দূৰ কৰাৰ বাবে অগ্ৰসৰ হ'ব। গোৱালপাৰা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড° জয়ন্ত কুমাৰ ব্ৰহ্মাই আঁতধৰা আলোচনাচক্ৰখনত আদৰণী ভাষণ দিয়ে গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে।